## কৃষক ৰাইজৰ জ্ঞাতাৰ্থে

### বানপানীৰ পৰিপ্ৰেক্ষিতত ল'বলগীয়া কৃষি ব্যৱস্থা

ৰাজ্যখনত সৃষ্টি হোৱা সাম্প্ৰতিক বানপানীৰ ফলত অসমৰ কৃষকৰাইজ বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে। আহি থকা সময়চোৱাতো হ'ব পৰা সম্ভাব্য বানপানী আৰু পানী শুকোৱাৰ ওপৰত ভিত্তি কৰি কৃষকৰাইজে ল'বলগীয়া বিভিন্ন ব্যৱস্থাৱলীৰ বিষয়ে তলত উল্লেখ কৰা হ'ল -

জুলাই মাহত হোৱা বানপানীৰ ক্ষেত্ৰত :

- কঠীয়া নষ্ট হ'লে আৰু পুনৰ বানৰ আশংকা থাকিলে সমূহীয়া কঠীয়াতলীৰ পৰা কঠীয়া সংগ্ৰহ কৰক।
- ৰঞ্জিত, বাহাদুৰ আদিৰ দৰে দীৰ্ঘদিনীয়া জাতৰ কঠীয়া আগষ্ট মাহৰ ১০ তাৰিখ পৰ্যন্ত পথাৰত ৰুব পৰা যায়।
- মধ্যমীয়া কৃষিকালৰ জাত যেনে, শ্ৰাৱণী, সত্যৰঞ্জন, বসুন্ধৰা, লাচিত, চিলাৰায় আদিৰ ২৫-৩০ দিনীয়া কঠীয়া জুলাই মাহৰ ২৫ তাৰিখৰ ভিতৰত সিঁচি আগষ্ট মাহৰ ২০ তাৰিখ পৰ্যন্ত ৰুব পৰা যায়।
- বানাক্ৰান্ত অঞ্চলৰ বাবে ৰঞ্জিত চাব-১, স্বৰ্ণ চাব-১, জলশ্ৰী, জলকুঁৱৰী আদি বান সহনশীল জাতৰ ধানৰ কঠীয়া জুলাই মাহৰ ভিতৰত ৰুব পাৰি। এই জাতসমূহ পানীত ১০-১২ দিন ডুবি থাকিলেও নষ্ট নহয়।

আগষ্ট মাহত হোৱা বানপানীৰ ক্ষেত্ৰত :

- অতি কমদিনীয়া জাত যেনে, লুইত, দিচাং আদি ধানৰ ২১-২৫ দিনীয়া কঠীয়া ১০ ছেপ্তেম্বৰলৈকে ৰুব পাৰি। ইয়াৰ বাবে আগষ্ট মাহৰ মাজভাগলৈকে বীজ সিঁচিব পাৰি। এই দুয়োবিধ জাতৰ গজালি ওলোৱা বীজ ছেপ্তেম্বৰ মাহৰ প্ৰথম সপ্তাহলৈকে মূল পথাৰত বোকা মাটিত কঠীয়া সিঁচাৰ দৰে পাতলীয়াকৈ সিঁচিব পাৰি।
- গীতেশ, প্ৰফুল্ল, মনোহৰ শালি, এন্দ্ৰিউ শালি আদিৰ দৰে উন্নত আৰু পলমকৈ কৰিব পৰা জাতৰ বয়সীয়া কঠীয়া (৪৫-৫৫ দিন) আগষ্ট মাহৰ ৩১ তাৰিখলৈকে পথাৰত ৰুব পৰা যায়।
- শেহতীয়া বানপানীয়ে খেতি নষ্ট কৰিলে পানী জমা নোহোৱা মধ্যমীয়া মাটিত তিল, মাটিমাহ, মগুমাহ আদিৰ বীজ সিঁচিব পৰা যায়।

**পলমকৈ হোৱা বানপানীৰ ক্ষেত্ৰত (ছেপ্তেম্বৰ মাহৰ প্ৰথম সপ্তাহ)ঃ**

- থলুৱা জাতৰ বেছি বয়সীয়া কঠীয়া ৰোৱাৰ বাহিৰে অন্য উন্নত বা অধিক উৎপাদনক্ষম জাতৰ ধানৰ খেতি কৰা উচিত নহয়।
- পানী কমাৰ লগে লগে ওখ মাটিত মগু মাহ নাইবা মাটিমাহৰ বীজ ছেপ্টেম্বৰ মাহৰ মাজভাগলৈ সিঁচিব পাৰি।
- পথাৰত পানী পলমকৈ শুকালে বা অক্টোবৰ মাহৰ প্ৰথম সপ্তাহলৈকে বানপানী হ'লে ৰবি শস্যৰ বীজ সংগ্ৰহ কৰক। সৰিয়হৰ টি এচ-৩৬, টি এচ-৩৮, টি এচ-৪৬, টি এচ-৬৭ আদি জাত উত্তম। ইয়াৰ উপৰিও মচুৰ মাহ, মটৰ মাহ, খেচাৰী মাহ আদিৰ খেতিও কৰিব পাৰি।

হঠাৎ উদ্ভৱ হোৱা পৰিস্থিতিৰ ক্ষেত্ৰত ঃ

- বানাক্ৰান্ত অঞ্চল আৰু বানপানীৰ পৰা মুক্ত হৈ থকা অঞ্চলৰ কৃষকৰ মাজত কঠীয়া আদান-প্ৰদান কৰক।
- জলমগ্ন অঞ্চলত পৰৱৰ্তী সময়ত হ'ব পৰা ৰোগ আৰু কীট-পতংগ বিশেষকৈ শুঁৰপোকৰ আক্ৰমণ নহ'বলৈ পথাৰৰ আলিবোৰ পৰিস্কাৰ কৰি ৰখাৰ লগতে পথাৰত পতংগভোজী চৰাই বহাত সুবিধা হোৱাকৈ বাঁহৰ জেং পুতি দিয়ক। শুঁৰপোকৰ আক্ৰমণ বেছি হ'লে ক্ল'ৰপাইৰিফ'ছ নামৰ দৰবৰ এক চামোচ ৩ লিটাৰ পানীত মিহলাই স্প্ৰে' কৰক।

সবিশেষ জানিবলৈ আৰু কাৰিকৰী দিহা-পৰামৰ্শৰ বাবে কৃষি সম্প্ৰসাৰণ সহায়ক / কৃষি উন্নয়ন বিষয়া/ মহকুমা কৃষি বিষয়া/ জিলা কৃষি বিষয়া/ স্থানীয় কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীৰ সৈতে যোগাযোগ কৰক।

কৃষি বিভাগ, অসম